# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
# 0000000000

**Date :** 17-06 -2024
**Time :** 07-05 hrs

ASSAMESE MORNING BULLETIN
## HEADLINES

::::::::::::::::::

১। সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেন ৰিজিজুৱে কালি নতুন দিল্লীত ৰাজ্যসভাত বিৰোধী নেতা তথা কংগ্ৰেছৰ সভাপতি মল্লিকাৰ্জুন খাৰ্গেক সাক্ষাৎ কৰে।

২। সদ্য সমাপ্ত লোকসভা নিৰ্বাচনৰ পাছত পশ্চিমবংগত বিজেপিৰ কৰ্মকৰ্তাসকলৰ বিৰুদ্ধে চলোৱা হিসাংত্মক কাৰ্যকলাপৰ পাছৰ পৰিস্থিতি পৰ্যালোচনা কৰাৰ বাবে দলৰ চাৰিজনীয়া সদস্যৰ এটা কেন্দ্ৰীয় দল কালি সন্ধিয়া কলকাতাত উপস্থিত হৈছে।

৩। বিশ্বৰ বিভিন্ন প্ৰান্তৰ লগতে ভাৰততো আজি ইছলামধৰ্মী লোকসকলৰ পবিত্ৰ উৎসৱ ঈদ-উল-জোহা পালন কৰা হৈছে।

৪। ছিকিমৰ মংগন জিলাত আবদ্ধ হৈ থকা ১২শৰো অধিক পৰ্যটকৰ উদ্ধাৰ অভিযান আজি আৰম্ভ হোৱাৰ সম্ভাৱনা আছে। **আৰু**

৫। টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ কালি নিশা ফ্লৰিডাত অনুষ্ঠিত এখন খেলত পাকিস্তানে আয়াৰলেণ্ডত ৩ উইকেটত পৰাস্ত কৰে।

ooooo

সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেন ৰিজিজুৱে কালি নতুন দিল্লীত ৰাজ্যসভাত বিৰোধী নেতা তথা কংগ্ৰেছৰ সভাপতি মল্লিকাৰ্জুন খাৰ্গেক সাক্ষাৎ কৰে। সামাজিক মাধ্যমৰ এটা পোষ্টত শ্ৰীৰিজিজুৱে কয় যে, এই সাক্ষাতৰ সময়ত শ্ৰী খাৰ্গেই নিজৰ জীৱনৰ বহুতো বহুমূলীয়া অভিজ্ঞতাৰ বিষয়ে তেওঁৰ সৈতে আলোচনা কৰে। তেওঁ কয় যে, তেওঁলোক সকলোৱে মিলি ৰাষ্ট্ৰৰ উন্নতিৰ হকে কাম কৰিব। উল্লেখযোগ্য যে অহা ২৪ জুনৰ পৰা হ'বলগীয়া অষ্টাদশ লোকসভাৰ প্ৰথম অধিৱেশনৰ পূৰ্বেই শ্ৰীখাৰ্গেৰ সৈতে মন্ত্ৰীগৰাকীৰ এই সাক্ষাৎ গুৰুত্বপূৰ্ণ বিবেচিত হৈছে। এই অধিৱেশনত লোকসভাৰ নৱনিৰ্বাচিত সদস্যসকলে শপত লোৱাৰ লগতে লোকসভাৰ অধ্যক্ষৰ নিৰ্বাচন অনুষ্ঠিত হ'ব। এই অধিৱেশনত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে লোকসভা আৰু ৰাজ্যসভাৰ যুটীয়া সংসদক উদ্দেশ্যি ভাষণ দিব। অহা ২৭ জুনৰ পৰা ৰাজ্যসভাৰ অধিৱেশন অনুষ্ঠিত হ'ব। ৩ জুলাইত সংসদৰ অধিৱেশনৰ সামৰণি পৰিব।

ooooo

বিজেপিৰ জ্যেষ্ঠ নেতা ৰবিশংকৰ প্ৰসাদ আৰু বিপ্লৱ কুমাৰ দেকে ধৰি বিজেপিৰ চাৰিজনীয়া সদস্যৰ এটা কেন্দ্ৰীয় দল কালি সন্ধিয়া কলকাতাত উপস্থিত হয়। সদ্য সমাপ্ত লোকসভা নিৰ্বাচনৰ পাছত পশ্চিমবংগত দলৰ কৰ্মকৰ্তাসকলৰ বিৰুদ্ধে চলোৱা হিসাংত্মক কাৰ্যকলাপৰ পাছৰ পৰিস্থিতি পৰ্যালোচনা কৰাৰ বাবে দলটো কলকাতালৈ গৈছে। কালি দলটোৱে এই হিসাংত্মক পৰিস্থিতিৰ বলি হোৱা লোকসকলৰ সৈতে মত বিনিময় কৰে। এই লোকসকলক কলকাতাত থকা বিজেপিৰ ৰাজ্যিক মুখ্য কাৰ্যালয়ৰ সমীপৰ

এটা গৃহত আশ্ৰয় প্ৰদান কৰা হৈছে। ২০২১ চনৰ পঞ্চায়ত নিৰ্বাচন আৰু বিধানসভা নিৰ্বাচনৰ সময়তো পশ্চিমবংগলৈ অহাৰ কথা উল্লেখ কৰি ৰবিশংকৰ প্ৰসাদে কয় যে, সেই সময়তো ৰাজ্যখনত হিসাংত্মক ঘটনা সংঘটিত হৈছিল আৰু একেধৰণৰ ঘটনাই সদ্য সমাপ্ত লোকসভা নিৰ্বাচনৰ পাছতো সংঘটিত হৈছে। ত্ৰিপুৰাৰ এগৰাকী প্ৰাক্তন মুখ্যমন্ত্ৰী বিপ্লৱ কুমাৰ দেৱে কয় যে, পশ্চিমবংগৰ এই কৰ্মকৰ্তাসকলৰ সৈতে দলীয় নেতৃত্ব সদায় আছে আৰু গণতন্ত্ৰৰ ৰক্ষাৰ বাবে প্ৰয়োজনীয় সকলো ব্যৱস্থা গ্ৰহণ কৰা হ'ব। কেন্দ্ৰীয় দলটোত বিজেপিৰ সাংসদ ব্ৰিজলাল আৰু কবিতা পাটিদাৰো আছে। ইয়াৰ পাছত দলটোৱে কলকাতাৰ মহেশ্বৰী ভৱনত ঘটনাৰ বলি হোৱা লোকসকলকো সাক্ষাৎ কৰে।

০০০০০

আজি ইছলামধৰ্মী লোকসকলৰ পবিত্ৰ উৎসৱ ইদ-উল-জোহা। বিশ্বৰ ভিন্ন প্ৰান্তৰ লগতে ভাৰততো আজি এই উৎসৱ পালন কৰা হৈছে । এই উপলক্ষে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আৰু উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখৰে দেশবাসীক শুভেচ্ছা জ্ঞাপন কৰিছে। এটা বাৰ্তাত ৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে ইদ-উল-জুহা হৈছে ত্যাগৰ প্ৰতীক। এই উৎসৱে প্ৰেম, ভাতৃত্ববোধ আৰু সামাজিক সম্প্ৰীতিৰ বাৰ্তা প্ৰদান কৰে। এই উৎসৱে মানুহক মানৱতাৰ প্ৰতি নিস্বাৰ্থ সেৱাৰ বাবে অনুপ্ৰাণিত কৰে বুলিও বাৰ্তাটোত ৰাষ্ট্ৰপতিগৰাকীয়ে উল্লেখ কৰে।

উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখৰে এই উৎসৱ উপলক্ষে ৰাইজক একতা, দয়া আৰু সংহতিৰ মূল্যবোধৰ ওপৰত চিন্তা কৰিবলৈ আহ্বান জনায় । তেওঁ লগতে কয় যে এই উৎসৱ পৰিয়াল আৰু সম্প্ৰদায়সমূহৰ বাবে আনন্দ আৰু সম্প্ৰীতিৰ মনোভাৱেৰে একত্ৰিত হোৱাৰ এক গুৰুত্বপূৰ্ণ দিন।

০০০০০

ছিকিমৰ মংগন জিলাত আবদ্ধ হৈ থকা ১২শৰো অধিক পৰ্যটকক উদ্ধাৰ কৰাৰ বাবে অভিযান আজি আৰম্ভ হোৱাৰ সম্ভাৱনা আছে। কিন্তু যদিহে বতৰ পুনৰ বেয়া হয় তেন্তে উদ্ধাৰ অভিযান বিলম্ব হ'ব পাৰে। চুংথাঙৰ মহকুমা দণ্ডাধীশ কিৰন থাটালে কৈছে যে, বতৰে অনুমতি দিলে বিমান অথবা পথেৰে উদ্ধাৰ অভিযান চলোৱা হ'ব। তেওঁ কয় যে, আবদ্ধ হৈ থকা লোকসকলক ৰখাৰ বাবে জিলা প্ৰশাসনে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিছে আৰু লাচুং চহৰৰ বিভিন্ন হোটেলত তেওঁলোকক ৰখাৰ লগতে অতি সামান্য দৰত আহাৰৰ যোগান ধৰা হৈছে। শ্ৰীথাটালে চুংথাঙৰ BDO, পিপন লাচুং আৰু হোটেলৰ স্বত্বাধিকাৰীসকলৰ সৈতেও উদ্ধাৰ প্ৰক্ৰিয়া সন্দৰ্ভত আলোচনা কৰে। ইতিমধ্যে পথ আৰু দলং বিভাগৰ মন্ত্ৰী এন বি দাহাল লাচুঙত উপস্থিত হৈ পৰ্যটকসকলৰ সৈতে মত বিনিময় কৰি তেওঁলোকৰ ওজৰ-আপত্তিসমূহ শুনাৰ লগতে অতিশীঘ্ৰেই তেওঁলোকক নিৰাপদে উদ্ধাৰ কৰাৰ আশ্বাস প্ৰদান কৰে। উল্লেখযোগ্য যে ভূমিস্খলনৰ ফলত লাচুং চহৰত ১৫ গৰাকী বিদেশী লোকক‌েও ধৰি মুঠ ১২শৰো অধিক পৰ্যটক আবদ্ধ হৈ আছে।

০০০০০

স্থল সেনাৰ মুৰব্বী জেনেৰেল মনোজ পাণ্ডেই কালি নতুন দিল্লীত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহক সাক্ষাৎ কৰে। অমৰনাথ তীৰ্থযাত্ৰীসকলৰ বাবে প্ৰয়োজনীয় প্ৰস্তুতি আৰু জম্মু-কাশ্মীৰৰ নিৰাপত্তা পৰিস্থিতিক পৰ্যালোচনা কৰাৰ বাবে শ্ৰীশ্বাহে আহ্বান কৰা দুখন বৈঠকত অংশগ্ৰহণ কৰাৰ পাছত জেনেৰেল পাণ্ডেই মন্ত্ৰীগৰাকীক সাক্ষাৎ কৰে। অহা ৩০ জুনত জেনেৰেল পাণ্ডেই অৱসৰ গ্ৰহণ কৰিব।

০০০০০

চলিত বৰ্ষৰ অমৰনাথ যাত্ৰাৰ বাবে হেলিকপ্টাৰ সেৱাৰ অনলাইন বুকিং প্ৰক্ৰিয়া আৰম্ভ হৈছে। শ্ৰীঅমৰনাথজী শ্ৰাইন বোৰ্ডে ৫২ দিনৰ শ্ৰীঅমৰনাথ যাত্ৰাৰ বাবে বালতাল আৰু পেহেলগাম যাত্ৰাপথ দুয়োটাৰ বাবে এই সুবিধা আৰম্ভ কৰিছে। এখন বিজ্ঞপ্তিযোগে বোৰ্ডে কৈছে যে, অহা ২৯ জুনৰ পৰা অমৰনাথৰ বাৰ্ষিক তীৰ্থযাত্ৰা আৰম্ভ হ'ব আৰু ১৯ আগষ্টত শাওন পূৰ্ণিমাৰ ৰাখীবন্ধনৰ দিনাৰ এই যাত্ৰাৰ সামৰণি পৰিব।

বোৰ্ডৰ বিষয়াসকলে প্ৰকাশ কৰা মতে উত্তৰ কাশ্মীৰ বালতাল পথছোৱাৰ বাবে নীলগড়-পঞ্চটৰ্নী-নীলগড়ত আৰু পেহেলগাম পথছোৱাৰ বাবে পেহেলগাম-পঞ্চটৰ্নী-পেহেলগাম পথত হেলিকপ্টাৰ সেৱাৰ সুবিধা থাকিব। যাত্ৰীসকলে চৰকাৰী ৱেবছাইট JKSASB.nic.inৰ জৰিয়তে অনলাইনযোগে হেলিকপ্টাৰ সেৱাৰ বাবে আগতীয়া বুকিং কৰিব পাৰিব।

০০০০০

আকাশবাণী বাতৰি সেৱা বিভাগৰ দ্বিভাষিক ফোন ইন অনুষ্ঠান পাব্লিক স্পীকত আজি নিশা চাৰে ন বজাত স্বাস্থ্য আৰু কল্যাণৰ বাবে যোগ সন্দৰ্ভত মোৰাৰজী দেশাই ৰাষ্ট্ৰীয় যোগ প্ৰতিষ্ঠানৰ যোগ বিশেষজ্ঞ ডাঃ সুৰক্ষিত গোস্বামী আৰু যোগ চিকিৎসা কাৰ্যসূচী বিষয়া ডাঃ ঈশ্বৰ এন আচাৰ্য্যৰ সৈতে হোৱা এটি আলোচনা প্ৰচাৰ কৰা হ'ব। আগ্ৰহী শ্ৰোতাসকলে অনুষ্ঠান চলি থকাৰ সময়ত ০১১-২৩৪২ ১০৫০ আৰু ০১১ ২৩৩১ ৪৪৪৪ নম্বৰত ফোন কৰি **যোগভ্যাসৰ বিভিন্ন দিশ** সম্পৰ্কে বিশেষজ্ঞ দুগৰাকীক প্ৰশ্ন সুধিব পাৰিব। শ্ৰোতাসকলে ৯২৮৯০ ৯৪০৪৪ নম্বৰত ৱাটছএপ যোগেও প্ৰশ্ন প্ৰেৰণ কৰিব পাৰিব। আকাশবাণীৰ এফ এম গ'ল্ড চেনেল আৰু অতিৰিক্ত ফ্ৰিকুয়েন্সিসমূহত এই অনুষ্ঠান শুনিবলৈ পোৱা যাব। ইয়াৰ লগতে আমাৰ ৱেৰছাইট newson air.co.in আৰু ইউটিউব চেনেল newsonairofficial যোগেও এই অনুষ্ঠান প্ৰচাৰ হ'ব।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ৩০ জুনত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ যোগেদি দেশ বিদেশৰ জনসাধাৰণৰ আগত নিজৰ মনৰ ভাব ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটিৰ ১১১ সংখ্যক আৰু শ্ৰীমোদী একেৰাহে তৃতীয়টো কাৰ্যকালৰ বাবে প্ৰধানমন্ত্ৰী হিচাপে নিৰ্বাচিত হোৱাৰ পাছত প্ৰচাৰ হ'বলগীয়া প্ৰথম খণ্ড।

প্ৰধানমন্ত্ৰীয়ে এই অনুষ্ঠানৰ বাবে জনসাধাৰণৰ পৰা দিহা পৰামৰ্শ বিচাৰিছে। জনসাধাৰণে ১৮০০-১১-৭৮০০ এই শুল্কবিহীন নম্বৰত ফোন কৰি প্ৰধানমন্ত্ৰীলৈ দিহা পৰামৰ্শ আগবঢ়াব পাৰিব। তেওঁলোকে লগতে নৰেন্দ্ৰ মোদী এপ অথবা মাই গভ মুকলি মঞ্চৰ যোগেদিও পৰামৰ্শ আগবঢ়াব পাৰিব। অনুষ্ঠানটিৰ আসন্ন খণ্ডৰ বাবে ২৮ জুন পৰ্যন্ত পৰামৰ্শ গ্ৰহণ কৰা হ'ব।

আকাশবাণী আৰু দূৰদৰ্শনৰ সমগ্ৰ নেটৱৰ্কৰ লগতে আকাশবাণীৰ ৱেৰছাইট আৰু নিউজ অন মোবাইল এপযোগে এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণী, দূৰদৰ্শন নিউজ, প্ৰধানমন্ত্ৰী কাৰ্যালয় আৰু তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ ইউটিউব চেনেলযোগেও এই অনুষ্ঠানৰ প্ৰচাৰ কৰা হ'ব। এই অনুষ্ঠানৰ ঠিক পাছতেই আকাশবাণীয়ে ইয়াৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

০০০০০

টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ফ্ল'ৰিডাত কালি নিশা অনুষ্ঠিত এখন খেলত পাকিস্তানে আয়াৰলেণ্ডক তিনি উইকেটত পৰাস্ত কৰে। ১০৭ ৰানৰ লক্ষ্য সমুখত লৈ পাকিস্তানে ১৮ অভাৰ ৫ টা বলত ৭টা উইকেট হেৰুৱাই ১১১ ৰান সংগ্ৰহ কৰে। পাকিস্তানৰ হৈ অধিনায়ক বাবৰ আজমে ৩২ ৰান কৰি অপৰাজিত হৈ ৰয়। আয়াৰলেণ্ডৰ হৈ বেৰী মেককাৰ্থীয়ে ৩টা আৰু কাৰ্টিছ কেম্পাৰে দুটা উইকেট দখল কৰাৰ বিপৰীতে মাৰ্ক আডাইৰ আৰু বেঞ্জামিন হোৱাইটে এটাকৈ উইকেট দখল কৰে। ইয়াৰ পূৰ্বে পাকিস্তানে টছত জিকি বলিং কৰাৰ সিদ্ধান্ত লয়। প্ৰথমে বেটিং কৰি আয়াৰলেণ্ডে নিৰ্ধাৰিত ২০ অভাৰত ৯টা উইকেট হেৰুৱাই ১০৬ ৰান সংগ্ৰহ কৰে। আয়াৰলেণ্ডৰ হৈ গেৰেথ ডেলানীয়ে সৰ্বাধিক ৩১ ৰান কৰে। পাকিস্তানৰ হৈ শ্বাহীন আফ্ৰিদি আৰু ইমাদ ৱাছিমে ৩টা,

মহম্মদ আমিৰে দুটা উইকেট আৰু হাৰিছ ৰাউফে এটা উইকেট দখল কৰে। শ্বাহীন আফ্রিদিক খেলখনৰ শ্ৰেষ্ঠ খেলুৱৈ হিচাপে ঘোষণা কৰা হয়। উল্লেখযোগ্য যে পাকিস্তান আৰু আয়াৰলেণ্ড ইতিমধ্যে প্ৰতিযোগিতাৰ পৰা বাহিৰ হৈছে। আনহাতে ভাৰত আৰু আমেৰিকাই গ্ৰুপ এৰ পৰা ছুপাৰ এইটত উপনীত হৈছে।

আজি গ্ৰুপ ‘ডি’ৰ এখন খেলত পুৰা বাংলাদেশে নেপালৰ বিৰুদ্ধে আৰু শ্ৰীলংকাই নেদাৰলেণ্ডৰ বিৰুদ্ধে খেলিছে। প্ৰথমখন খেলত বাংলাদেশে নেপালক জয়ৰ বাবে 107 ৰাণৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। প্ৰতুত্তৰত নেপালে বাতৰি যুগুতোৱাৰ পৰলৈকে 4 অভাৰত 2টা উইকেট হেৰুৱাই 20 ৰাণ কৰি খেলি আছে। ইপিনে দ্বিতীয় খন খেলত নেডাৰলেণ্ডছে টছত জয়ী হৈ শ্ৰীলংকাক বেটিঙৰ বাবে আমন্ত্ৰণ জনায়। শেহতীয়া বাতৰি অনুসৰি শ্ৰীলংকাই প্ৰথমে বেট ধৰি 15 অভাৰত 4টা উইকেট হেৰুৱাই 124 ৰাণ সংগ্ৰহ কৰি খেলি আছে। আনহাতে গ্ৰুপ ‘চি’ৰ এখন খেলত নিউজিলেণ্ড পাপুৱা নিউগিনিয়াৰ বিৰুদ্ধে খেলিব। খেলখন ৱেষ্ট ইণ্ডিজৰ ট্ৰা'উবাৰ ব্ৰাইন লাৰা ষ্টেডিয়ামত নিশা ৮ বজাত অনুষ্ঠিত হ’ব।

ooooo

সমাপ্ত